জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

।১৪০ সংখ্যা, ৯ পুহ, বুধবাৰ, ১৯৪৬শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 140 । DIBRUGARH, WEDNESDAY, DECEMBER 25, 2024 । পৃষ্ঠা ১৪ (Pages

## য়াটকৰ উদ্ভাৱক অসমৰ

### কীয়া প্ৰেছ ক্লাবৰ উদ্যোগত উষ্ম সম্বৰ্দ্ধনা



বল ইচ্ছা শক্তি থাকিলে প্ৰতিটো
ল হ'ব পাৰি ইয়াৰ বাবে মাতৃ ভাষাত
ণত বাধা কেতিয়াও হ'ব নোৱাৰে।
য তিনিচুকীয়া জিলাৰ পানীতোলা
াৱৰপৰা গৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত
ৎকৃষ্ট কৰ্মৰ বাবে সমাদৰ লাভ
সক্ষম হোৱা ডঃ গোহাঁইয়ে
কৰা ঔষধে (এণ্টিবায়টিক)
কাৰ ফুড এণ্ড ড্ৰাগ এডমিনিষ্ট্ৰেচনৰ
এ) স্বীকৃতি লাভ কৰা ভাৰতবৰ্ষৰ
এণ্টিবায়টিক হিচাপে বিবেচিত
াৰু বিশ্বৰ বজাৰত উপলব্ধৰ বাবে
লাভ কৰিছে। সুদীৰ্ঘ ১৫ বছৰীয়া
আৰু পৰীক্ষা-নিৰীক্ষাৰ অন্তত এফ
স্বীকৃতি লাভ কৰা এই ঔষধে
ৰি ট্ৰেক্ট ইনফেকচন (ইউ টি আই),
নিয়া আদি ৰোগত ভোগা সমগ্ৰ
ক্ষ লক্ষ মানুহক উপকৃত কৰিব
শা কৰা হৈছে। বৰ্তমান দক্ষিণ
ৰ কেমিকেলছ প্ৰচেছ টেকন'লজিছৰ
আৰু উন্নয়ন বিভাগৰ মুৰব্বী বিজ্ঞানী
গোহাঁইয়ে শিলচৰৰ অসম
ায়ৰপৰা জৈৱ ৰসায়নত বিশেষ
াপে লৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ

কৰিছিল। পাছত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান (নেইষ্ট), যোৰহাটত গৱেষণা কৰি ২০০৫ বৰ্ষত তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী পৰ্যায়ত চেন্নাইস্থিত ছানমাৰ স্পেচিয়েলিটি কেমিকেলছ লিমিটেডত বিজ্ঞানী হিচাপে যোগদান আৰু পাছত অৰ্কিড কেমিকেলছ এণ্ড ফাৰ্মাচিউটিকেলছ লিমিটেডত গৱেষক বিজ্ঞানী হিচাপে যোগদান কৰে। স্পেইন চৰকাৰৰ শিক্ষা আৰু বিজ্ঞান মন্ত্ৰালয়ৰ সন্মানীয় বৈদেশিক যুৱ বিজ্ঞানী বঁটা লাভ কৰি স্পেইনত দুবছৰ বাবে স্পেইন চৰকাৰৰ ফেল'শ্বিপসহ জৈৱ ৰসায়নত ব্যৱহৃত জৈৱ অনুঘটকৰ বিষয়ত গৱেষণাৰ সুবিধা লাভ কৰা ডঃ মুকুট গোহাঁইৰ যথেষ্ট সংখ্যক উচ্চ মানবিশিষ্ট গৱেষণা-পত্ৰ আমেৰিকা, ইংলেণ্ড, জাৰ্মান, জাপান, অষ্ট্ৰেলিয়া, ৰাছিয়াকে ধৰি দেশ-বিদেশৰ বিভিন্ন আগশাৰীৰ বিজ্ঞান আলোচনীত প্ৰকাশ পাইছে। তিনিচুকীয়া প্ৰেছ ক্লাবৰ সভাকক্ষত আয়োজিত সম্বৰ্দ্ধনা সভাত সভাপতিত্ব কৰে ক্লাবৰ সভাপতি কমল তালুকদাৰে আৰু সম্পাদক চিন্ময় শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত ক্লাবৰ উপদেষ্টা অমূল্য খাটনিয়াৰ, বিশিষ্ট আইনজ্ঞ, ফটিক চন্দ্ৰ নেওগ আদিও উপস্থিত থাকে। প্ৰেছ ক্লাবৰ উদ্যোগত আয়োজন কৰা সম্বৰ্দ্ধনা অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞানীগৰাকীক সদৌ মৰাণ ছাত্ৰ সন্থা, মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতি, তিনিচুকীয়া জিলা ছাত্ৰ সন্থা, আটাছু, অসম চাহ জনগোষ্ঠীয় জাতীয় মহাসভা আৰু পৰিৱেশ সুৰক্ষা সমিতিৰ তিনিচুকীয়া জিলা সমিতি, সমন্বয় সমাজ কল্যাণ যুৱ সন্থা আৰু ন'জ শিক্ষা কেন্দ্ৰৰ সঞ্চালক সুনীল বাৰ্মাই উষ্ম সম্বৰ্দ্ধনা জনায়।

## ডিব্ৰুগড় বিজ্ঞান সমিতিৰ উদ্যোগত জয়শ্ৰী মেধি সোঁৱৰণী বক্তৃতা প্ৰতিযোগিতা সম্পন্ন

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২৪ ডিচেম্বৰ ঃ** অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সহযোগত ২১ ডিচেম্বৰত জয়শ্ৰী মেধি সোঁৱৰণী প্ৰাইজমানি বক্তৃতা প্ৰতিযোগিতাখনি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ডঃ ভাৰতী দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত প্ৰথমে প্ৰয়াত মেধিৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত মেধিৰ স্বামী, বিশিষ্ট চিকিৎসক ডাঃ ৰমা প্ৰসাদ মেধিয়ে। মংগলাচৰণ কৰে বিজয়লক্ষ্মী শৰ্মা গোস্বামীয়ে। সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ডাঃ মেধি আৰু অধ্যাপক ডঃ কমলেশ্বৰ দত্তই মেধাসম্পন্ন প্ৰয়াত মেধি সম্পৰ্কত বক্তব্য আগবঢ়ায়। জয়শ্ৰী মেধিৰ পৰিচয়মূলক ভাষণ প্ৰদান কৰে সমিতিৰ যুটীয়া সম্পাদক অজিত শৰ্মাই।

অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰাৰ উদ্দেশ্য আগত ৰাখি লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বক্তৃতা দিয়াৰ অভ্যাস গঢ়াৰ মানসিকতাৰে এনে প্ৰতিযোগিতাৰ আয়োজন কৰা বুলি ডঃ ভাৰতী দত্তই সদৰি কৰে। জয়শ্ৰী মেধিৰ সৈতে তেওঁৰ ব্যক্তিগত সান্নিধ্যৰ কথাও তেওঁ শ্ৰদ্ধাৰে সোঁৱৰে। বক্তৃতা প্ৰতিযোগিতাখনি উদ্বোধন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ডঃ শশীকান্ত শইকীয়াই আধুনিক বিজ্ঞান-প্ৰযুক্তিৰ যুগত উপনীত হৈও আজিৰ সমাজ অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব নোৱাৰাটো দুৰ্ভাগ্যজনক বুলি কয়। যুক্তিসহ কথাবোৰ বিচাৰ-বিবেচনা কৰা উচিত বুলিও তেওঁ কয়। প্ৰতিযোগিতাৰ আঁত ধৰে সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাসে আৰু প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰে ডঃ উৎপল শৰ্মা, ডঃ ৰূপজ্যোতি হাজৰিকা আৰু ৰুবাব ফাতেমা নোমানিয়ে।

সভাপতি ডঃ দত্তই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলোকে এনে ধৰণৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে উদ্বুদ্ধ কৰে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে প্ৰশান্তি ডিভাইন ভেলী স্কুলৰ মঞ্জুশ্ৰী গগৈয়ে। দ্বিতীয় স্থান লাভ কৰে ডনবস্কো স্কুলৰ অজ্জনীল দাসে আৰু তৃতীয় স্থান লাভ কৰে জ্ঞান বিজ্ঞান একাডেমীৰ প্ৰাংশু দাসে। শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ উপ-সভাপতি ডঃ ৰঞ্জিত সিংহই। বঁটা বিতৰণী সভাত উপস্থিত থকা দিলজিৎ বৰুৱা আৰু হেমন্ত পেগুৱে তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে।

## বৰপথাৰত আপকুৰ সাধাৰণ সভা সম্পন্ন

নিজা বাতৰি দিওঁতা

**ধনশিৰি, ২৪ ডিচেম্বৰ ঃ** আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন (আপকু) ধনশিৰি মহকুমা সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন ২২ ডিচেম্বৰত সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰস্থ শংকৰদেৱ শিশু নিকেতনৰ প্ৰাঙ্গণত অনুষ্ঠিত হয়। আপকু ধনশিৰি মহকুমা সমিতিৰ সভাপতি তুলসী চুতীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত উক্ত সভাই ৰাজ্যখনৰ বহুকেইগৰাকী সাংবাদিক, বুদ্ধিজীৱী তথা বিশিষ্ট ব্যক্তিৰ বিভিন্ন কাৰণত হোৱা অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰে। সভাত সমিতিৰ সম্পাদক অনুজ বৰাই আপকু ধনশিৰি মহকুমা সমিতিৰ দুবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰাৰ পাছত সমিতিৰ কেইবাগৰাকী জ্যেষ্ঠ সদস্যই প্ৰতিবেদনখনৰ বিভিন্ন দিশ সম্পৰ্কত বহল ব্যাখ্যা আগবঢ়ায়। উক্ত সভাতে আগন্তুক কাৰ্যকালৰ বাবে আপকুৰ ধনশিৰি মহকুমা সমিতিখন পুনৰ গঠন কৰা হয়।

আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি দিগন্ত মহন্ত